**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

অসমক অনুপ্ৰৱেশকাৰীমুক্ত কৰাটো বিজেপি নেতৃত্বাধীন চৰকাৰৰ সংকল্প বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। দিনজোৰা ভ্ৰমণসূচীৰে কালি অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি সন্ধিয়া খানাপাৰাত নৱ-নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অসমক ভাৰতৰ পৰা বিচ্ছিন্ন নোহোৱাকৈ ৰখাৰ ক্ষেত্ৰত গ্ৰহণ কৰা আশাসুধীয়া প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে। তেওঁ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জনতাৰ শিল্পী জুবিন গাৰ্গকো সোঁৱৰণ কৰে।

**বাইট (অমিত শ্বাহ)**

৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যাধুনিক দৃশ্য-শ্ৰব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি ভালেমান উন্নত মানৰ ব্যৱস্থা ৰখা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰেক্ষাগৃহতে জন্মগতভাৱে থকা হৃদৰোগৰ পৰা সুস্থ হোৱা এহেজাৰ শিশুৰ অভিবাদন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লয়।

ইয়াৰ আগেয়ে শ্ৰী শ্বাহে গুৱাহাটীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু স্বয়ংচালিত নগৰ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰে। ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱনত ৪০০ গৰাকী বিষয়াৰ বাবে সু-ব্যৱস্থা থকাৰ উপৰি আৰক্ষীৰ সকলো শাখা সংযুক্ত কাৰ্যালয়, একত্ৰিত প্ৰমাণীকৰণ শাখা আদি আছে। গৃহমন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সম্পৰ্কীয় এখন প্ৰদৰ্শনী মুকলি কৰাৰ উপৰি ৰাজ্যৰ প্ৰতিখন জিলা ভ্ৰমণ কৰিবলগীয়া ফৰেণচিক বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহে কালি বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত এই প্ৰকল্প উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ বাবে তেওঁ ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীমন্ত শংকৰদেৱৰ দৰে মহান ব্যক্তিত্ব ভাৰতত জন্মগ্ৰহণ কৰাটো সৌভাগ্যৰ কথা বুলিও তেওঁ প্ৰকাশ কৰে। বিগত কেইটামান বছৰত অসম দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত কয় যে একাংশ লোকে দখল কৰি থকা ভূমি উচ্ছেদ কৰি বটদ্ৰৱা প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ৰাজ্য চৰকাৰে এনেধৰণৰ অবৈধ দখলৰ বিৰুদ্ধে উচ্ছেদ অব্যাহত ৰাখিব বুলি তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে ২২২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা বটদ্ৰৱা প্ৰকল্পত গুৰু আসন ভৱন, মণিকাঞ্চন নামঘৰ, দক্ষতা বিকাশ কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, কলা কেন্দ্ৰ, নাটঘৰ, দহটা জনগোষ্ঠীয় কুটিৰকে ধৰি বিভিন্ন ব্যৱস্থা ৰখা হৈছে। ফেব্ৰুৱাৰীৰ পৰা জনসাধাৰণৰ বাবে মুকলি হ'বলগীয়া এই প্ৰকল্প বিনামূলীয়াকৈ চাব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

শ্ৰীশ্বাহে কালি সন্ধিয়া বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ ৮৬০গৰাকী বীৰ শ্বহীদৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ স্মাৰক ক্ষেত্ৰত গছপুলিও ৰোপণ কৰে।

০০০০০০

৫৫ বছৰ অতিক্ৰম কৰা বিশ্বনাথ চাৰিআলি পৌৰসভাৰ সোণালী জয়ন্তী মহোৎসৱ দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ১৯৭০ চনত আৰম্ভ কৰা বিশ্বনাথ চাৰিআলি নগৰ সমিতিখন ২০১১ চনত পৌৰসভালৈ উন্নীত হয়। এই পৌৰসভাৰ অধীনত বৰ্তমান ১২টা ৱাৰ্ড আছে। কালি আৰম্ভ হোৱা সোণালী জয়ন্তী মহোৎসৱৰ প্ৰথম দিনা বিশ্বনাথৰ বিধায়ক তথা উদযাপন সমিতিৰ সভাপতি প্ৰমোদ বৰঠাকুৰৰ লগতে বিশ্বনাথৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰৰ সৈতে আন ৫৩ গৰাকী বিশিষ্ট ব্যক্তিয়ে মুঠ ৫৫ খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে তদানীন্তন নগৰ সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি তথা আধুনিক বিশ্বনাথৰ নিৰ্মাতা চেনিৰাম দাসৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত শিল্পী জুবিন গাৰ্গলৈয়ো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে।

০০০০০০

লখিমপুৰৰ বগীনদী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ চিনাতলী চাহ বাগান চিকিৎসালয়ত কালি স্বাস্থ্যবান শ্ৰমিক যোজনা জিলা পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। লখিমপুৰৰ জিলা উন্নয়ন আয়ুক্ত জিতু কুমাৰ দাসে আঁচনিখন মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত সদৌ অসম কাৰাটে সন্থাৰ সৌজন্যত আয়োজিত সদৌ অসম কেডেট, জুনিয়ৰ আৰু ছিনিয়ৰ ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ দলটোৱে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। গুৱাহাটীত সম্পন্ন হোৱা এই প্ৰতিযোগিতাত ৰাজ্যখনৰ দুহেজাৰৰো অধিক খেলুৱৈয়ে ভাগ লৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ দলটোৰ হৈ ৬ জন খেলুৱৈয়ে প্ৰতিযোগিতাত ৬টা সোণৰ, দুটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। মুখ্য প্ৰশিক্ষক অঞ্জন চেতিয়াৰ অধীনত কেন্দ্ৰটোৰ হৈ প্ৰতিযোগিতাত প্ৰয়াশী চেতিয়া, প্ৰাঞ্জল দেউৰী, অনন্ত তাঁতী, ননীগোপাল দত্ত, ৰাহুল দত্ত আৰু জিতু ভূঞাই অংশগ্ৰহণ কৰিছিল। দলটোৰ কৃতিত্বত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল আৰু ক্ৰীড়া বিষয়া দীপজ্যোতি গগৈয়ে দলটোলৈ অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

**সমাপ্ত**